# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 27-10-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

-------------------

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি উচ্চ শিক্ষা লাভৰ বাবে ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ডঃ শৰ্মাই তেওঁৰ ভাষণত কয়, যে ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ কয়, যে উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। তেওঁ ভাষণ প্ৰসংগত বাল্যবিবাহৰ ঘটনাৰ পৰা ৰাজ্যৰ কন্যাসকলক সম্পূৰ্ণৰূপে মুক্ত কৰাৰ দৃঢ় সংকল্পৰ কথা দোহাৰে। ইয়াৰ উপৰি ৰাজ্যত নাৰী তথা ছোৱালীৰ মৰ্যাদা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ কথাও উল্লেখ কৰে।

**বাইট**

অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত আছে।

ৰাজ্যৰ বিভিন্ন জিলাতো আজি এই আঁচনিৰ অধীনত চেক বিতৰণ কৰা হয়।

**বিশ্বনাথ** জিলাৰ গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আয়োজিত কাৰ্যসূচীত এই আঁচনিৰ চেক বিতৰণ কৰা হয়। অনুষ্ঠানত উপস্থিত থকা ছাত্ৰীসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে মুখ্যমন্ত্ৰীৰ ভাষণ প্ৰত্যক্ষ কৰে। এই কাৰ্যসূচীত গহপুৰৰ ১৮ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু দুখন মহাবিদ্যালয়ৰ ছাত্ৰীক এই আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। অনুষ্ঠানত স্থানীয় বিধায়ক উৎপল বৰা, মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কিশোৰ সিং ৰাজপুত উপস্থিত থাকে।

অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই আজি **ডিব্ৰুগড়** বিশ্ববিদ্যালয়ত আয়োজিত কাৰ্যসূচীত ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কৰে। এই কাৰ্যসূচীত বিশ্ববিদ্যালখনৰ উপাচাৰ্য ড০ জিতেন হাজৰিকা, পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালকে ধৰি ভালেমান ব্যক্তি উপস্থিত থাকে।

**গোলাঘাট** জিলাত আয়োজিত কাৰ্যসূচীত বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছাই ছাত্ৰীসকলক চেক বিতৰণ কৰে। ইফালে জিলাখনৰ মেলাপৰা মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত খুমটাইৰ

বিধায়ক মৃণাল শইকীয়াই ছাত্ৰীসকলক চেক বিতৰণ কৰে। **শোণিতপুৰ** জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানত আজি এই আঁচনিৰ চেক বিতৰণ কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত বিভিন্ন শিক্ষানুষ্ঠানত আয়োজিত কাৰ্যসূচীত স্বাস্থ্য মন্ত্ৰী অশোক সিংহল, সাংসদ ৰঞ্জীত দত্ত, বিধায়ক পদ্ম হাজৰিকা, পৃথ্বীৰাজ ৰাভা আৰু কৃষ্ণ কমল তাঁতী উপস্থিত থাকে।

**হোজাই** জিলাতো এই আঁচনিৰ চেক বিতৰণ কৰা হয়। হোজাইৰ ছোৱালীৰ মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত স্থানীয় বিধায়ক ৰামকৃষ্ণ ঘোষে এহেজাৰ ২৬৯ গৰাকী ছাত্ৰীক চেক বিতৰণ কৰে। **শিলচৰৰ** পুলিচ পেৰেড গ্ৰাউণ্ডত আয়োজিত কাৰ্যসূচীত জিলাখনৰ ৬ হাজাৰ ২৭০ ছাত্ৰীক এই আঁচনিৰ চেক বিতৰণ কৰা হয়। অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থ, শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্য উপস্থিত থাকে। ৰাজ্যৰ মীন, পশুপালন, পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে **শ্ৰীভূমি** জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ অন্তৰ্গত স্বামী বিবেকানন্দ মহাবিদ্যালয়ত আয়োজিত কাৰ্যসূচীত ছাত্ৰীসকলক চেক বিতৰণ কৰে। এই আঁচনিৰ অধীনত জিলাখনৰ ১০ হাজাৰ ১৮ গৰাকী ছাত্ৰীক সামৰি লোৱা হৈছে।

০০০০০

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই আজি যোৰহাট জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাঁজীৰ পৰা জাঁজীমুখলৈকে জাঁজী নৈৰ পকীকৰণৰ আধাৰশিলা স্থাপন কৰে। দক্ষিণ পাৰৰ মথাউৰিটোৰ প্ৰায় ২৫ কিলোমিটাৰ দৈৰ্ঘ্য পকীকৰণ কৰা হ'ব। কাৰৈমাৰীত অনুষ্ঠিত এটা কাৰ্যসূচীত বৈদেশিক দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ স্বাস্থ্য বিভাগে ৰাজ্যজুৰি আৰম্ভ কৰা শুশ্ৰুষা সেতু শীৰ্ষক স্বাস্থ্য শিবিৰৰ অংশ হিচাপে আজি ডিব্ৰুগড় জিলাৰ খোৱাং বিধানসভা সমষ্টিৰ অন্তৰ্গত কোটোহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। খোৱাঙৰ বিধায়ক চক্ৰধৰ গগৈয়ে এই শিবিৰ মুকলি কৰে। শিবিৰত সমষ্টিটোৰ ১৮ বছৰৰ তলৰ প্ৰত্যেক শিশু তথা কিশোৰ-কিশোৰীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ